## সম্পাদনা সমিতি:

উপদেষ্টা : ড° নৱ কুমাৰ কলিতা । অধ্যক্ষ, ছয়গাঁও মহাবিদ্যালয়

বকুল ঠাকুৰীয়া । উপাধ্যক্ষ, ছয়গাঁও মহাবিদ্যালয়

উমেশ ডেকা । বিভাগীয় প্ৰধান, অসমীয়া বিভাগ ছয়গাঁও মহাবিদ্যালয়

তত্ত্বাৱধায়ক : ড° দীপামণি বৰ্মন। সহকাৰী অধ্যাপক, অসমীয়া বিভাগ ছয়গাঁও মহাবিদ্যালয়

সম্পাদক : অম্বিকণ বড়ো

বৰষা ডেকা

সদস্য : পিংকি দাস

চাহিৰুল নেচা আহমেদ

বেটুপাত : উজ্জ্বল কলিতা

অক্ষৰ : দুৰ্মি ৰাভা

অলংকৰণ : স্মৃতি প্ৰৱনক্স, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ ছয়গাঁও মহাবিদ্যালয়

জুমনা চিদ্দিকা শিমাৰ

# সম্পাদকীয়

"সৃষ্টিশীলতা হ'ল একেটা বস্তু দেখা
কিন্তু বেলেগ ধৰণে চিন্তা কৰা"।

— এ.পি.জে আব্দুল কালাম

সাহিত্য মানৱ মনৰ ভাৱ-অনুভূতি, কল্পনাৰ এক শৈল্পিক প্ৰকাশ। সমাজ আৰু মানৱৰ হিতৰ বাবে এক সুন্দৰ সাধনাৰ স্থলি। সাহিত্যই মানুহক নতুন চিন্তাৰ পথ দেখুৱায়। সাহিত্যৰ শক্তি অপাৰ আৰু এই শক্তিয়ে এখন সুস্থ সমাজ গঢ়ি তুলিব পাৰে। এটা জাতি আৰু এটা ভাষা জীয়াই ৰাখিবলৈ সাহিত্যৰ সৃষ্টি অপৰিহাৰ্য। সেয়েহে সাহিত্য সৃষ্টি আৰু তাৰ চৰ্চাৰ বাবে এখন মঞ্চ প্ৰদান কৰাটো একোখন বিদ্যালয় বা মহাবিদ্যালয়ৰ প্ৰাথমিক দায়িত্ব। 'অনুশীলন' আমাৰ তেনে উদ্দেশ্যৰেই এক আন্তৰিক প্ৰয়াস।

মানুহৰ মনোজগতখন একোখন সাহিত্য। সেই মনোজগতখনক লিখিত ৰূপত প্ৰকাশ কৰিবলৈ আমি অসমীয়া বিভাগে এই হাতেলিখা আলোচনীখনৰ যোগেদি কিছু প্ৰয়াস কৰিছোঁ। 'অনুশীলন" চৰ্চাকে আমাৰ বাবে এক অনুশীলন।

ছয়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ হাতে লিখা আলোচনী 'অনুশীলন'ৰ সম্পাদনা কৰাটো আমাৰ

বাবে সৌভাগ্যৰ কথা। এই হিচাপতে আমাক সকলো
প্ৰকাৰে সহায় সহযোগিতা আগবঢ়োৱা বিভাগৰ ছাৰ
-বাইদেউ সকলোকে আন্তৰিকে কৃতজ্ঞতা জনাইছোঁ। অজানিতে
ৰৈ যোৱা ভুল-ত্ৰুটিবোৰ আলোচকসকলে গঠনমূলক
পৰামৰ্শৰে শুধৰাই দিব বুলি আমাৰ দৃঢ় বিশ্বাস।

শ্ৰদ্ধাৰে
অম্বিকা বড়ো
বৰমা ভেকা

# সূচীপত্ৰ

| | |
|---|---|
| সম্পাদকীয় | পৃষ্ঠা ক, খ |
| **কবিতা** | |
| জোনাক — মৃদুলা কলিতা | ১ |
| ফাগুনৰ দৰে আপুনি — অম্বিকা বৰো | 2 |
| নদী — সংগীতা কলিতা | ৩ |
| প্ৰেৰণা — সিংকি দাস | ৪ |
| স্বপ্নকন্যা — জুমলা চন্দ্ৰিকা মিসাৰ | ৫ |
| ফাগুন — সিংকি দাস | ৬ |
| 'মা' — মামনি বৰো | ৭ |
| জোনাকৰ পোহৰ — বন্দনা কলিতা | ৮ |
| প্ৰতিফলিত জীৱনৰ স্বৰূপ — তৰালি কলিতা | ৯ |
| জীৱন — পূৰবী দলৈ | ১০ |
| ফাগুন — ভূমি ৰাভা | ১১ |
| জীৱন — সাক্ষী ৰাজবংশী | ১২ |
| দেউতা — কৃষ্ণামণি ৰাভা | ১৩ |
| আহ্বান — প্ৰীতিস্মিতা দাস | ১৪ |
| **গল্পৰ বিতান** | |
| ভোক — ৰুমী শৰ্মা | ১৫ |
| নতুন আৰম্ভণি — অম্বিকা বৰো | ১৬ |
| **প্ৰবন্ধ** | |
| মিঠুনে মত? — তৰালী দাস | ১৭-১৯ |
| প্ৰসংগ নধাৰা নাম — বৰষা ডেকা | 20 |

# কবিতাৰ শিতান

# জোনাক


নিস্তব্ধ ৰাতি
মুক্ত আকাশত
কাঁচি জোনৰ
মিচিকিয়া হাঁহি
ক'ৰ পৰা আনো
বিলিছেহি
এই সুশীতল
বতাহজাটি
সি কঢ়িয়াই আনে
স্মৃতিৰ মিঠা অনুভূতি
তুমি যেন মোৰ
নিস্তব্ধ ৰাতিৰ জোনাক এটি !



মৃদুলা কলিতা
ষষ্ঠ ষাণ্মাষিক

## ফাগুনৰ দৰে আপুনি


ভাল লাগে আপোনাক
মোৰ বাবে যেন
আকাশৰ নীলা প্ৰান্তৰখিনি
আপুনিয়েই ..... ।



যেনেকৈ, পাহি মেলোৱা
ৰঙা শিমলুৰ পাহিত
লিখা থাকে বসন্তৰ নাম,
তেনেকৈ মোৰ সেউজী হৃদয়ত
আঁকো আপোনাৰ নাম।

উকা ফাগুনৰ খোপতো
নীলা হৈ উঠে মোৰ হিয়া,
সেই নীলা হিয়াত
প্ৰতিফলিত হয় ....
আপোনাৰেই ছবি প্ৰতিমা ।
ফাগুনৰ আবিৰৰ দৰে ৰঙীন
চিৰ ফাগুনৰ দৰে আপুনি ।

অম্বিকা বড়ো
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাষিক




# নদী

বিশালতাৰ আন এটা নাম নদী
জানা মোৰ মনটোৱে বিচাৰে....
নদীৰ দৰে বিশাল হ'বলৈ,
নিৰন্তৰভাৱে বৈ থাকিবলৈ।
য'ত নাই প্ৰভাৱিত হোৱাৰ ভয়।
হে সময় দিয়ানা মোক
বিলীন হ'বলৈ.....
নদীৰ মাজত।
ঢৌবোৰে যেন বিচাৰিছে
মুকলি হ'বলৈ।
আজি নাপাহে, আহে মাথো সঁহাৰি।
প্ৰকৃতিৰ প্ৰেমত পৰা এই প্ৰেমিকক
ল'বনে আকোৱালি,
বিলীন হ'ব বিচাৰিছো নদীৰ মাজত।

শ্ৰী সংগীতা দাস
দ্বিতীয় ষাণ্মাসিক

# প্ৰেৰণা

বিচ্ছিন্নতাৰ বিষ
ক্ৰমশঃ বৰ্তি আহিছে
মনৰ চাৰেৰীখনত
ৰঙীন চিয়াঁহীৰে লিখা
প্ৰতিশ্ৰুতিবোৰ এতিয়া
অস্পষ্ট হৈছে
স্মৃতিৰ বাটত এতিয়া
লাহে লাহে জেকীয়া জিব ধৰিছে।
জীৱনৰ নতুন বাটত
অভিলাষীৰ হিয়াৰ মৰমে
মোক মন্ত্ৰমুগ্ধ কৰিছে।



শ্ৰী ঋংকি দাস
ষষ্ঠ ষাণ্মাসিক

## জনকথা

এলান্ধুকলীয়া সপোন এটি
ফাগুনৰ ধূলি ধূসৰিত
সোণালী সপোন আজি
বেঁহুৰাত বৰলীয়া

যাঁয়াৰ পুখুৰীপাৰৰ পঁজাটি
যাহি ধ্বাহি বিবৰ্ণ,
এইবেলি ফাগুন নাহিলা
আহিছিল ধুমুহা কৰিব তছনছ সকলো



এটা কিংবদন্তী
সোণৰ নাও জানৰ বঁঠা
পুখুৰী পাৰৰ যাঁয়াৰ কথা
ক'ত হেৰাই থাকিল
জোনাকীৰ নিশা জলপৰীৰ উচ্ছল জলকেলি....


এক ইতিহাসৰ মৃত্যু ঘটিল
যাঁয়াৰ নিজাবোৰ, সন্ধিয়াৰ ভয়বোৰ
বতাহত হেৰাই থাকিল
সপোন আইতাৰ নিচুকনি গীত হৈ
ভাঁহি থাকিল.....

এলান্ধুবোৰ এলান্ধু হৈয়ে থাকিল
ধূসৰ হ'বলৈ এটা কিংবদন্তী
আজি এক জন কথা হৈ পৰিল।

জুমনা চিদ্দিকাশ্যাৰ
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক

## ফাগুন

ফাগুনক যেন আজিও চিনেনা
লগত হ'ল এজাক চঞ্চলা উন্মনা
বতাহ.......
পুৰণি মোহৰত সাৰ পাই
খিৰিকীখন খোলি দেখো
লৈ উঠা শিমলু জোপাৰ ৰঙা ৰঙা
শিমলু ফুলবোৰ
ধূলিময়ী পৃথিৱীখনতো যেন
এক শীতলতা নামি আহিছে
হয়তো মোৰ প্ৰিয়া ফাগুনৰ
প্ৰথমজাক বৰষুণ
খৰিষাৰ আগমন জনাইছে।
তাৰ মাজতে যে অবিৰত ৰং
জিলিকি উঠিছে....
চৌপাশ যেন ফাকুৱাৰ ৰঙেৰে
ৰঙালী হৈ পৰিছে।
তেওঁও বিষাদ উতলা
দিনশেষৰ প্ৰান্তত
সপোনৰ খোজে খোজে এটি সুৰ
আশাবোৰৰ ভাজে ভাজে এটি সুৰ
সুবাস।




পিংকি দাস
ষষ্ঠ ষাণ্মাসিক

# 'মা'



তোমাৰ কোলাতে পৰি, মই দুচকু মেলি
দেখো বিশ্বজননী।
দেখিও নেদেখা অন্ধকাৰ, থাকি যেন
তোমাৰ চকুমুদি।
তোমাক দেখিলে মোৰ, এনে লাগিছিল জানা
তুমি যেন জোনাকৰ উজ্জ্বলিত তৰা
পৃথিৱীত আহিলে তোমাৰ চাদৰৰ আঁচলেৰে
মুচি মুখত চুমা দিছিলা।
মোৰ দুচকু মেলি মই তোমাৰ বক্ষত
স্নেহেৰে ধৰা সাবটি।
মোক দুহাত মেলি তুমি জিৰণি লওঁ
তোমাৰ বুকুত।
তোমাক দেখি ভাবো 'মা' যেন মোৰ বাবে
সদায়ে চিৰস্থায়ী।

শ্ৰী সম্মান বড়ো
চতুৰ্থ ষাণ্মাসিক




## জোনাকৰ সোহুৰ

অ' মোৰ আৰদী জোনাক
আহকৌ এবাৰ সোমাইলোকে,
মোৰ সন্মুখৰ পথ
ভাঙি গ'ল ক'ত আশা।
সেইদিন হেৰাল বস্তুত,
সেইদিন বিচাৰি আছি মই
পাওঁ মাথোঁ কলা কলা আন্ধাৰ।
কিয়নো হ'লা তুমি ইমান নিষ্ঠুৰ,
এবাৰো নুশুনিলা তুমি।
এবাৰ আহা তুমি
তুমি সোহুৰ দিলে
মই আহিম পাওঁ,
সেইদিন বিচাৰিবলৈ।
মই বেলেগ শুনিলেও
আজি তুমি নুশুনা
দেখিলেও তুমি,
আজি মোক নোপোৱা
এই অন্ধাৰৰ মাজত
অ' মোৰ আৰদী জোনাক।

বন্দনা কলিতা
ষষ্ঠ ষাণ্মাসিক

## প্ৰতিফলিত জীৱনৰ স্বৰূপ

মানসিক বেদনা
নিষ্ঠুৰ সময়,
জীৱনৰ ৰঙীন সপোন
এখনি ভগা দাপোন।



জীৱনটোৰ প্ৰশ্নই বা ক'ত,
আধৰুৱা আধ্যাত্মিকতা
গতিবিহীন জটিলতা।

প্ৰণয়ৰ হেপাহকণ
আধফুলা কলিটি যেন।
নিজৰ নিজৰ লগা
ভাগৰুৱা দেহ।

তৰালী কলিতা
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক

# জীৱন

জীৱনত সুখী হ'বলৈ শিকা, জীৱনক সুখী কৰিবলৈ শিকা
জীৱন দুদিনীয়া ।
অতএৱ সময় নষ্ট কৰি জীৱনক নেহেৰুৱাবা
মৃত্যুৰ যেতিয়া মুখামুখি হবা তেতিয়া বুজিবা
জীৱন কেইদিনীয়া ।।
তেতিয়া উপলব্ধি কৰিব পাৰিবা
বহু কাম আধৰুৱা হৈ ৰৈ গ'ল ।
বহু কথা গোপন হৈ ৰৈ গ'ল,
এয়াই জীৱনৰ মহিমা ।।
তেতিয়া হৃদয়ে কান্দি কান্দি, চিঞৰি চিঞৰি
কৰিবলৈ বিচাৰিবা ।
হে জীৱন আহা ঘূৰি আকৌ একবাৰ আহা উভতি
মোৰ সপোনবোৰ আধৰুৱা হৈয়ে ৰ'ল,
মোৰ হেঁপাহবোৰ আধা পথতে ৰৈ গ'ল,
উভতি এবাৰ আহা ঘূৰি ।।



সময়ে বুজাব জীৱনৰ কথা
আকৌ শেষ হৈছে জীৱনে ক'ব সময়ৰ কথা ।
হেঁপাহ নাই, আশা নাই, আৰু নাই জীৱন,
যেতিয়াও নহয় মোৰ হেঁপাহ পূৰণ,
নহয় যেতিয়াও মোৰ আশা পূৰণ ।।
আধা পথতে এৰিলো
সপোনবোৰ, হেঁপাহবোৰ ।
দুদিনীয়া জীৱন বহু আশাৰ সপোন
মনতে ৰৈ গ'ল হৃদয়তে শুই গ'ল ।।

পুৰৱী দলৈ
ষষ্ঠ ষান্মাষিক

# ফাগুন


বলিয়া ফাগুন
তুমি আকৌ আহিলা
গছ-লতা বোৰেও
যৌৱনাত হালিছে জালিছে,
তোমাৰ গাভৰু দেহটো সজাবলৈ
কলিয়ন সাজ লোৱা সকল
কৃষ্ণচূড়া জোপাই অতি আগ্ৰহেৰে ৰৈ আছে।
পলাশ, মদাৰ, শিমলু জোপাই
সৌন্দৰ্য্যৰ অহংকাৰী হৈ খিলখিলাই হাঁহিছে,
সৰাপাতবোৰ নিথৰ হৈ উচুপি উঠিছে
শেষ বিদায়ৰ অপেক্ষাত।
প্ৰেমিক-প্ৰেমিকাই আকুল হৈ ৰৈ আছে
প্ৰিয়জনৰ আলিংগনৰ বাবে,
ফাগুন তুমি সঁচাকৈ দুষ্ট
প্ৰেমৰ ফাগুন, বলিয়া ফাগুন ।।



ভূমি বড়ো
ষষ্ঠ ষাণ্মাসিক

## জীৱন


জীৱনটো ধৰ্ম নে কৰ্ম
সময়বোৰ অন্তৰতে ৰৈ থাকিব
জীৱনৰ প্ৰকৃত মোল বিচাৰি
আমি আজিও হাবাথুৰি খাওঁ।
হেপাহবোৰে দুৱাৰত টোকৰিয়াব আহি
ব্যস্ততাৰ অজুহাতত
হেপাহবোৰক ৰাখিলো বন্ধকী
আমি আজিও জীয়াই থাকিলো
জীৱনৰ মোল বিচাৰি।
জীৱনৰ প্ৰকৃত অৰ্থ কি?
কেনেদৰেনো লভিব সেয়া?
তাৰেই অনুসন্ধানত
মানুহৰ জীৱনৰ পৰিব ওৰ
তথাপি সেয়া অজ্ঞাত।



সাক্ষী ৰাজবংশী
ষষ্ঠ ষাণ্মাসিক

# দেউতা


সেইজন আছিল দেউতা
যেতিয়া মই প্ৰথম চকু মেলিছিলোঁ
মাঁ কান্দি আছিল
কিন্তু, তেওঁ দূৰত থিয় হৈ
হুস্মিতলাৰ বিল দি আছিল
সেইজন আছিল মোৰ দেউতা
সেইজনী কেৱল মাঁ নাছিল
যেতিয়া মই নিৰযাত পৰিছিলোঁ
ওৰে ৰাতি উজাগৰে কটাইছিল
সেইজন আছিল মোৰ দেউতা
মই ভাল পাওঁ
মোৰ হাতৰ প্ৰতিটো আঙুলি
লাগানো মই দেউতাই মোক
মোৰ কোনটো আঙুলিত ধৰি
খোজকাঢ়িবলৈ শিকাইছিল
যদি মাঁ মোৰ বাবে জন্মদাতা
মোৰ বাবে মোৰ পৃথিৱী
হৈছে মোৰ দেউতা ।



শ্ৰী কৃষ্ণমণি ৰাভা
ষষ্ঠ ষাণ্মাসিক

# আহ্বান

অৰুণস্নান পোহৰ বিচাৰি ফুৰা
মই এখনি এন্ধাৰ আকাশে।
আকাশৰ শূন্যতাত ঘৰ সাজি,
বিজুলীৰ ক্ষন্তেকীয়া চমকত
তোমাক দেখিম বুলি বিচাৰি
দুগালেৰে বৈ যায় বৰষুণ হৈ
মোৰ বিষাদৰ চকুপানী।




ধুমুহাৰ ৰূপ লয়
মোৰ আবেগ বহুবাৰ উঠোহ।
হে মোৰ সপোনৰ জোনাকী
উজ্বলাই দিয়া আহি
মোৰ হৃদয়ৰ এন্ধাৰ কোঠা,
দীপাল কৰি দিয়া
মোৰ হৃদয়ৰ অতীতে ধুলিকণা।
হে জোনাকী এবাৰ মোৰ বুকুৰ
মাজত আহা. ....
নিলিখো আৰু এন্ধাৰৰ কবিতা,
লিখিম দুয়োতেঁহি মিলি
তৰালীৰ নীলা খিনিৰে
এটি সুন্দৰ পোহৰৰ কবিতা।।

প্ৰীতিস্মিতা দাস
চতুৰ্থ ষাণ্মাসিক

# গল্পর শিতান

## ভোক

ভোকত কেৱলাই খবৰ কা'কতেৰে সাৱধান ক'লে, মা-বিক্ষাৰিসকলৰ দেউতাকক মুখ্যমন্ত্ৰীয়ে গুলীয়াই মাৰাৰ বাবে চৰকাৰে ৭ লাখ টকা সাহায্য আগবঢ়াইছে, আমাৰ দেউতাহঁতো কোনোবাই গুলীয়াই মাৰা হ'লে..... ।



নাম ঃ লক্ষ্মী শৰ্মা
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক

# নতুন আৱিষ্কাৰ

চোতালখনৰ একাষে থকা বকুল গছজোপাত বাঁহ লৈছে চৰাই কেইজনী উভতি আহিছিল। বকুল ফুলৰ সোৱাই সুমধুৰ কৰিছে চৌপাশ। এডাল ডালত দোলনা এখন ওলমি আছে। তাই নিৰালাত বহি চাইছে বকুল জোপাৰ ওপৰত উৰি থকা চৰাইবোৰক। বকুল ডালৰ বয়স তাইৰ লগত সমান। তাইৰ অকলশৰীয়া সময়ৰ লগৰি বকুলজোপা। স্কুল বন্ধত বকুল জোপাৰ তলতেই দিনটো পাৰ হয়। ডালত বহি কিতাপ পঢ়া, তাত বহি চাহ খোৱা ইত্যাদি ইত্যাদি।

এদিন স্কুলৰ পৰা আহি দেখে যে বকুল জোপা নাই। বেচেৰা গুৰিটো কটা অৱস্থাত পৰি আছে। তাইৰ চকুহালেৰে যেন শীতল তেজ বৈ গ'ল। চোতালত থিয় হৈয়েই একেবাৰে চাই ৰ'ল গুৰিটোলৈ। নিঃশব্দে চকুৰে চকুলো বৈ গ'ল। পিছদিনা পুৱা বিছনা এৰি বকুল জোপাৰ তললৈ দৌৰি গৈ সেমেকা চকুৰে ঘৰ সোমাল।

এসপ্তাহৰ পিছৰ স্কুল বন্ধৰ পুৱা দাঁতত ব্ৰাছ লৈ চোতালত খোজ কাঢ়ি থাকোঁতে হঠাৎ তাই হাত মেলি চিঞৰি জপিয়াই উঠিল। কাৰণ বকুল জোপাৰ গুৰিটোৰে তিনিটা পাতেৰে ডাল কাঢ়ি মেলিছে।

অম্বিকা বড়ো
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক

# প্রবন্ধ

# শিশু নে যন্ত্ৰ?

সময় সলনি হ'ল। যোতেৰ বহুত আগৰ পৃথিৱীখন যেন এতিয়া আৰু নাই। সলনি হ'লহঁত আমাৰ প্ৰয়োজনীয়তা, জীৱন যাপনৰ ধৰণ প্ৰণালী। সলনি হ'ল শিশুবোৰ। হেৰাই গ'ল শৈশৱ।

এবা, "আমিয়েই আছিলো হয়তো সেই শেষ প্ৰজন্ম।" নিজৰ মতে আনন্দ উপভোগ, সমনীয়াৰ সতে খেল-ধেমালি কৰা। কি যে মনোমোহা আছিল দিনবোৰ। এতিয়া আজিৰ শিশুবোৰক দেখিলে এনেকুৱা অনুভৱ নহয় নে? যেন আমি তাহাতক যন্ত্ৰলৈ ৰূপান্তৰ হবলৈ ঠেলি দিছো।

যত হেৰাই গ'ল শিশুৰ সোণালী শৈশৱ, হেৰাই গ'ল সেই আনন্দটো; শিশুকাল শিক্ষে শিক্ষে দৌৰ দিছিলা খেলাত।

এয়া সময়ৰ আহ্বান; তাক আমি নুই কৰিব নোৱাৰো। সময়ে দিনে দিনে পৃথিৱীখন হৈ উঠিছে আৰু উন্নত। সেয়ে আমি সময়ৰ লগত দেখিবলৈ পাওঁ আজিৰ শিশুবোৰ অন্য হয় আধুনিক প্ৰক্ৰিয়াৰ মাজত। মাতৃৰ গৰ্ভত থকাৰ পৰাই যতন লোৱা হয়; বেবী, চকলেট, ডাক্তৰৰ পৰামৰ্শ, উপদেশ আদি...... আগলৈ সন্তান ভূমিষ্ঠ হবলৈ জ্যোতিষৰ দিন, বাৰ, সময়ো ঠিক কৰিব ডাক্তৰক জাননি দিয়ে। এয়া যেন এক প্ৰতিযোগিতাহে অভিভাৱকসকলৰ মাজত। কোনে কিমান ডাঙৰ মানুহ, গুণীয়া, শক্তিশালী শিশু পাব পাৰে। তেওঁলোকৰ সন্তান শ্ৰেষ্ঠ হব লাগিব। এই চিন্তা আৰম্ভ হয়

সেৰ শিশুটিৰ লগত।

আগতে অ, আ, ক, খ, A, B, C, D শিকোৱা ঘৰতেই আৰম্ভ হৈছিল। এতিয়া আহিল স্কুল সোমোৱা পৰ্ব। লগতে আহিল মাধ্যমৰ প্ৰশ্ন? অসমীয়া নে ইংৰাজী? মাক দেউতাকৰ খুটুক-খটিক কাজিয়া। এনেদৰে হৈ যায় নামভৰ্তি।

স্কুল সোমোৱা দিনবোৰ দেখিলে বেয়াই লাগে; ডাঙৰ গৰমৰ কথা নহয়, ৰাতিপুৱাতেই শিশুতক জোৰকৈ উঠাই আনি দাঁতে ঘঁহি দি মুখৰ মুখে পানী মাৰি কিংবা অকনমান নাকে মুখে গুজি কাপোৰ জোতা এযোৰা পিন্ধাই স্কুলৰ গাড়ীখনত উঠাই-আঁকুৰি সোমাই দিয়া হয়। কান্দি কান্দি নাযাওঁ কলেও বাধ্য শিশুত। আমি যে নাজানো! এনেকৈ বাঢ়ি গৈ থাকে শিশুতৰ লগত বিষয়বোৰ। ৰাতিপুৱা ৫ বজাত পঢ়া আৰম্ভ হয় প্ৰাতঃ কৰা, গা ধোৱা, খোৱা-বোৱা, ৭:৩০ বজাত স্কুলসোমোৱা। কান্ধত দাঙিব নোৱাৰা কিতাপৰ বোজা। দেখিলেই বেয়া লাগে কুঁজা কোঁকোৱা হৈ উঠি গৈ যায় পিঠিৰ বোজাখন। ৩:০০ বজাত ঘৰলৈ উভতিলেই কিবা অলপ মুখত গুজি দি আকৌ টিউচন, বিভিন্ন বিষয়ৰ ওপৰত ড্ৰয়িং, ছবি, নাচ, গান, টুইচিং ইত্যাদি। সন্ধ্যা হোমৱৰ্ক ক্লাচটেস্ট। বছৰেকত চাৰিটা পৰীক্ষা। নাই আহৰি; ব্যস্ত তেওঁলোক, ব্যস্ত অভিভাৱক।

এতিয়া আহে নম্বৰৰ প্ৰতিযোগিতালৈ। শিশু-সকলে সুন্দৰ সুন্দৰ নম্বৰ পায়। তাক লৈ অভিভাৱকৰ

স্মৃতি জগতে আৰেী তেমন প্ৰতিযোগিতা ভৱিষ্যতলৈ।
ইমানখিনি আনিব পাৰিলে আগুৰ দিশ আগুৰ দিশ।

আজিৰ শিশুবোৰ বুদ্ধিসম্পন্ন যেতিয়া কোন সময়ত কাৰ সৈতে কি ক'ব লাগে জানেহি। বিজ্ঞান দিশ লগে লগেহি ক'বলৈ আৰম্ভ কৰে। সেইবাবে মোৰ আগুৰ জানিব, আগুৰত দুৰ্বিধলৈ যাওঁ, মোৰ কাষলৈ চাওঁকে পাতিব জানিব। বা-স-বে।

আমি সকলো জানো যে শিশুসকলৰ প্ৰতিযোগিতাৰ মাজত এখোজ এখোজি সকলো ৰূপান্তৰ হৈছে। ইয়াৰ কাৰণে আমি তুষ্ট কৰিব লোৱাহে। দেশৰ সন্তানবোৰক সময়ৰ লগত খোজ মিলাইহি শিক্ষাত সু নাগৰিক কৰি গঢ়ি তুলিবহি লাগিব। এয়া আমাৰ সকলোৰে কৰণীয়, আমাৰ আশা - আকাংক্ষা।

ভৱানী দাস
দ্বিতীয় ষাণ্মাসিক

# প্ৰসংগ: নাগাৰা নাম

নাগাৰা নাম অসমীয়া লোক সংস্কৃতিৰ এক অন্যতম পৰিৱেশ্য কলা। অঞ্চলভেদে নাগাৰা নামক নেগাৰা নাম বুলি কোৱা হয়। নাগাৰা নামৰ উদ্দেশ্য হ'ল ঈশ্বৰৰ অস্তিত্ব আৰু ভক্তিতত্ত্ব প্ৰদৰ্শন কৰি দৰ্শকক ভক্তি ৰসত নিমজ্জিত কৰা। নামনি অসমৰ নলবাৰী, দৰং আদি ঠাইত এই নামৰ প্ৰচলন অধিক হোৱা দেখা যায়। নাগাৰা নামত ব্যৱহৃত গীত-পদ আৰু সংলাপ নামনিৰ কথিত ভাষাত ৰচিত হোৱা বাবে উজনি অসমত ই বহুল প্ৰচলিত নহয়। নাগাৰা নামৰ মূল বাদ্যযন্ত্ৰ নাগাৰা যদিও তালৰ ব্যৱহাৰো দেখা যায়। নাগাৰা নামৰ কথা আৰু কাহিনী মূলতঃ কীৰ্তন ভাগৱত, ৰামায়ণ, মহাভাৰত- পুৰাণ উপ পুৰাণ আদিৰ পৰা গ্ৰহণ কৰা হয়। নাগাৰা নাম যিহেতু পৰিৱেশ্য কলা সেয়ে ইয়াত মনোৰঞ্জনৰ বাবে বহুতো যাঁতৰে মোহাদাৰী আৰু অশ্লীল পৰিৱেশন কাহিনী যেনে গায়নৰ জৰিয়তে আখ্যান-উপাখ্যানৰ মাজত নিহিত কৰি দৰ্শকৰ মন আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে। কিন্তু মনোৰঞ্জনৰ প্ৰতি গুৰুত্ব দিয়াত নাগাৰা নামত ভক্তিৰস গৌণ হৈ অল্প দেখা গৈছে।

বৰষা ডেকা
ষষ্ঠ ষাণ্মাসিক

আমি যুঁজিবলৈ ওলাইছোঁ আন্ধাৰৰ বিৰুদ্ধে —
উদ্দেশ্য — দেশৰ উন্নতি, জোনাক।

(লক্ষ্মীনাথ বেজবৰুৱা)



